প্ৰেছ বিজ্ঞপ্তি
২৭ ফেব্ৰুৱাৰী,২০১৭

**আৰ বি আয়ে কৌজালগি আৰবান কো-অপাৰেটিভ বেংক লিমিটেড, কৌজালগি, কৰ্ণাটকক দণ্ড বিহিছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে, কৌজালগি আৰবান কো-অপাৰেটিভ বেংক লিমিটেড, কৌজালগি, কৰ্ণাটকৰ ওপৰত, বেংকিং বিনিয়ম আইন, ১৯৪৯ৰ ধাৰা ৪৬(৪)ৰ সৈতে পঠিত ধাৰা ৪৭ক(১)(খ)ৰ (সমবায় সমিতিৰ ক্ষেত্ৰত প্ৰযোজ্য) উপবন্ধসমূহৰ অন্তৰ্গত ইয়াক প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি ১.০০ লাখ টকা (এক লাখ টকা মাত্ৰ) অৰ্থদণ্ড বিহিছে। দ্য ডিপজিটৰ এডুকেশ্যন এণ্ড এৱেৰনেছ ফাণ্ড স্কীম, ২০১৪ সম্পৰ্কে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশ/নিৰ্দেশনামা উলংঘন আৰু আৰ বি আয়ে জাৰি কৰা আপোনাৰ গ্ৰাহকক জনা/কংলকিত টকা প্ৰক্ষালন প্ৰতিৰোধক (KYC-AML)ৰ নিৰ্দেশবোৰ উলংঘনৰ বাবে বেংকটোক দণ্ড বিহা হৈছে।

ভাৰতীয় ৰিজাৰ্ভ বেংকে, বেংকটোক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছিল, যাৰ সমিধানত বেংকটোৱে সেইবোৰৰ পৰিপূৰণৰ বাবে সময় বিচাৰিছিল। সময়ৰ সম্প্ৰসাৰণ দুবাৰকৈ মঞ্জুৰ কৰা হৈছিল যদিও বেংকটোৱে নিৰ্দেশ/নিৰ্দেশনামা পৰিপালন দাখিল নকৰিলে আৰু মৌখিক শুনানিও নিবিচাৰিলে। ঘটনাটোৰ যথাৰ্থতা বিবেচনা কৰাৰ আৰু বিষয়টোৰ ক্ষেত্ৰত উত্তৰ দিয়াত বেংকটোৰ ব্যৰ্থতাৰ পাছত, ৰিজাৰ্ভ বেংক এই সিদ্ধান্তলৈ আহে যে উলংঘনবোৰ প্ৰমাণ সাব্যস্ত হৈছে আৰু দণ্ড আৰোপযোগ্য হৈছে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/২২৯৩**